**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসম মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত চাৰিগৰাকী মন্ত্ৰীক আজি দপ্তৰ বিতৰণ কৰা হ'ব। নতুন মন্ত্ৰীক দপ্তৰ বিতৰণ কৰাৰ লগতে মন্ত্ৰীসভাৰ পুৰণি কেইবাগৰাকীও মন্ত্ৰীৰ দপ্তৰ সাল-সলনি কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিছুসময় পাছতে  দপ্তৰ বিতৰণ কৰিব বুলি জানিবলৈ দিছে। আজি দপ্তৰ বিতৰণ কৰিবলগীয়া নতুন মন্ত্ৰীকেইগৰাকী হৈছে - প্ৰশান্ত ফুকন, কৌশিক ৰায়, কৃষ্ণেন্দু পাল আৰু ৰূপেশ গোৱালা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নতুন মন্ত্ৰীৰ শপত গ্ৰহণ হৈ যোৱাৰ পাছতে বৰ্তমানৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ হাতত থকা অতিৰিক্ত বিভাগসমূহ নতুন মন্ত্ৰী চাৰিগৰাকীক দিয়া হ'ব বুলি স্পষ্ট কৰি দিছে।

oooooo

এটা বিশেষ ব্যৱসায়িক প্ৰতিষ্ঠানে উৎকোচ লোৱাৰ অভিযোগকে ধৰি অন্যান্য বিষয়ত বিৰোধী দলে প্ৰতিবাদ সাব্যস্ত কৰি হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰাৰ বাবে আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ১২ বজালৈ স্থগিত ৰখা হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, আৰ জে ডি আৰু বাওঁ দলকে ধৰি বিৰোধী সাংসদসকলে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। অধ্যক্ষ ওম বিৰলাই প্ৰতিবাদী সদস্যসকলক সদনৰ কামকাজ চলাই নিয়াত সহায় কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে সদনৰ প্ৰশ্নকাল অতি গুৰুত্বপূৰ্ণ আৰু এই প্ৰশ্নকালত কোনো ধৰণৰ বিষয় উত্থাপন কৰিব নোৱাৰি। পাছত হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে অধ্যক্ষই সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ১২ বজালৈ স্থগিত ৰাখে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থান আৰু হাৰিয়ানাত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। শ্ৰী মোদীয়ে জয়পুৰ প্ৰদৰ্শনী আৰু কনভেন্সন কেন্দ্ৰত ৰাইজিং ৰাজস্থান বিশ্ব বিনিয়োগ শীৰ্ষ সন্মিলন ২০২৪ উদ্বোধন কৰিব। তেওঁ লগতে এই সন্মিলনতে আয়োজন কৰা ৰাজস্থান বিশ্ব বাণিজ্য মেলাও উদ্বোধন কৰিব।  সন্মিলনত ৫ হাজাৰৰো অধিক ব্যৱসায় আৰু বাণিজ্য প্ৰতিনিধি, আগশাৰীৰ উদ্যোগপতি, কূটনীতিবিদ আৰু বিনিয়োগকাৰীসকলে অংশগ্ৰহণ কৰিব। ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল শৰ্মাকে ধৰি বহুকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰী সন্মিলনত উপস্থিত থাকিব।

আনহাতে প্ৰধানমন্ত্ৰীয়ে আজি হাৰিয়ানাৰ পাণিপথৰ মহাৰাণা প্ৰতাপ উদ্যান শস্য বিশ্ববিদ্যালয়ৰ মূল প্ৰাঙ্গণৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ভাৰতীয় জীৱন বীমা নিগমৰ **বীমা সখী যোজনা** মুকলি কৰিব। ১৮ৰ পৰা ৭০ বছৰ বয়সৰ দশম শ্ৰেণী উত্তীৰ্ণ মহিলাসকলৰ সবলীকৰণৰ বাবে ভাৰতীয় জীৱন বীমা নিগমে এই **বীমা সখী যোজনা** মুকলি

কৰিছে। এই যোজনাৰ অধীনত মহিলাসকলৰ মাজত বিত্তীয় সাক্ষৰতা আৰু বীমা সজাগতা সৃষ্টি কৰাৰ লগতে তেওঁলোকক বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

000000

মৰিগাঁও জিলাৰ জাগীৰোডৰ ইতিহাস প্ৰসিদ্ধ জোনবিলৰ পাৰত অহা ১৬ৰ পৰা ১৮ জানুৱাৰীলৈ ঐতিহাসিক জোনবিল মেলা অনুষ্ঠিত হ'ব। গোভা দেওৰজাৰ ৰাজপৰিষদ, জোনবিল মেলা উন্নয়ন সমিতি আৰু তিৱা ৰাজদৰবাৰে অলপতে গোভা দেওৰজাৰ নখোলা ৰাজভৱনত অনুষ্ঠিত দৰবাৰত এই সিদ্ধান্ত গ্ৰহণ কৰে। তিৱা সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ তথা পাহাৰ-ভৈয়ামৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি এই জোনবিল মেলাত কাৰ্বি আংলং জিলাৰ অৰ্ধশতাধিক গাঁৱৰ লগতে মেঘালয়ৰ ২০ খনৰো অধিক গাঁৱৰ মামা-মামীসকলে পাহাৰত উৎপাদিত সামগ্ৰী লৈ পৰম্পৰাগত বিনিময় প্ৰথাত অংশগ্ৰহণ কৰিব। জোনিবল মেলাৰ দ্বিতীয় দিনা বহিবলগীয়া গোভা দেওৰজাৰ ৰাজদৰবাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকী মন্ত্ৰী বিধায়ক উপস্থিত থাকিব। এই ৰাজদৰবাৰতে ২২ গৰাকী তিৱা ৰজাক ৰাজ্য চৰকাৰে ৰাজভাত্তা প্ৰদান কৰিব।

000000

ওমানৰ মাস্কটত চলি থকা মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰত আজি পৰৱৰ্তী গ্ৰুপ পৰ্যায়ৰ খেলত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ ৬ বাজি ১৫ মিনিটত হ'বলগীয়া পুল-বিৰ আন এখন খেলত চীনা টাইপেই দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব। ভাৰতে যোৱা নিশা বাংলাদেশক ১৩-১ গলৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। অহা বছৰ চিলিত হ'বলগীয়া এফ আই এইছ জুনিয়ৰ বিশ্বকাপৰ বাবে জুনিয়ৰ এছিয়া কাপ প্ৰতিযোগিতাখন যোগ্যতানিৰ্ণয়কাৰী খেল হিচাপে বিবেচিত হ'ব। প্ৰতিযোগিতাৰ শীৰ্ষ ৫টা দলে বিশ্বকাপত অৱতীৰ্ণ হোৱাৰ বাবে যোগ্যতা লাভ কৰিব।

000000

যোৰহাট জিলাৰ টিয়কৰ চিন্তামনি গড় জেলেঙিটুপত যোৱা নিশা সংঘটিত পথ দুৰ্ঘটনাত দুজন ব্যক্তিৰ মৃত্যু হয়। মটৰ চাইকেলেৰে আহি থকা লোক দুজনে এজোপা গছত খুন্দা মৰাৰ ফলত অভিজিৎ ৰাজখোৱা নামৰ লোকজনৰ থিতাতে মৃত্যু হোৱাৰ উপৰি গুৰুতৰভাৱে আহত বিদ্যুৎ বৰা নামৰ আনজন লোকৰ চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু হয়।

একেদৰে শিলচৰ-হাফলং সংযোগী ঘাইপথৰ গোঁসাইপুৰত কালি সংঘটিত আন এটা দুৰ্ঘটনাত তিনিজন লোক গুৰুতৰভাৱে আহত হয়। আহত লোককেইজনক শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

000000

সমাপ্ত